# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা


**নং ঃ ১০৮/২০২০**

## অসম বিধান সভাত ছাত্ৰ-ছাত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়
## ছাত্ৰ সমাজ শক্তিশালী হ'লেহে অসম শক্তিশালী হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ মাৰ্চ ঃ** অসমৰ ছাত্ৰ সমাজ শক্তিশালী হ'লে অসম শক্তিশালী হ'ব। ছাত্ৰ-ছাত্ৰীসকলে অসমখনক জাকত জিলিকা ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ত ব্ৰতী হৈ নিজকে একো একো গৰাকী সুনাগৰিক হিচাপে গঢ়ি তুলিব লাগিব। আজি অসম বিধান সভাৰ চেণ্ট্ৰেল হলত ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে হোৱা মত-বিনিময়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে শিক্ষাৰ জৰিয়তেহে ব্যক্তি, সমাজ, ৰাজ্য তথা ৰাষ্ট্ৰ শক্তিশালী হ'ব পাৰে। সেয়েহে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সামগ্ৰিক শৈক্ষিক উত্তৰণৰ দিশত আৰম্ভণিৰে পৰা শক্তিশালী পদক্ষেপ লৈ আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ছাত্ৰ-ছাত্ৰীসকলৰ সহায়ক হোৱাকৈ বৰ্তমানৰ চৰকাৰে বিনামূলীয়া নামভৰ্ত্তি, বিনামূলীয়া পাঠ্যপুথি, জলপানি ইত্যাদি প্ৰদান কৰাৰ উপৰি শিক্ষা ঋণৰ ক্ষেত্ৰত অভিনন্দন আঁচনিৰ জৰিয়তে বেংক ঋণৰ ৫০ হাজাৰ টকা ৰাজ সাহায্য প্ৰদানৰ উপৰি ছাত্ৰাৱাসত থাকি অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মাহেকত ৭০০ টকাকৈ প্ৰদানৰ লেখীয়া আঁচনি গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে বিধান সভা দৰ্শনৰ চাক্ষুস অভিজ্ঞতাই শিক্ষাৰ্থীসকলক সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৰ বিষয়ে সম্যক জ্ঞান লাভ কৰাৰ দিশত সহায় কৰিব বুলিও কোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক সামগ্ৰিকভাৱে সবল কৰাৰ লক্ষ্য আৰু উদ্দেশ্যে আগত ৰাখিয়েই এনেধৰণৰ পদক্ষেপ বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ সমাজক অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিপৰীতে সমাজত উপযুক্ত জনসচেতনতা সৃষ্টি কৰাৰ বাবে আহ্বান জনোৱাৰ উপৰি ড্ৰাগছৰ দৰে মহাব্যাধিৰ পৰা সততে আঁতৰি থকাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক শাৰীৰিক আৰু মানসিক সন্তুলন অটুত ৰখাৰ দিশত সহায়ক হোৱাকৈ নিয়মিত ৰূপত শাৰীৰিক অনুশীলন কৰাৰ বাবেও উপদেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম ব্যৱহাৰৰ দিশত ছাত্ৰ-ছাত্ৰীসকলক সাৱধান হোৱাৰ বাবেও আহ্বান জনায়। নিজকে সফল কৰাৰ বাবে কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰমত ব্ৰতী হোৱাৰ বাবেও আহ্বান জনায়। এলেহুৱা মানুহে জীৱনত একো কৰিব নোৱাৰে বুলি উল্লেখ কৰি ছাত্ৰ জীৱনৰ দৰে জীৱনৰ সোণোৱালী সময় অপচয় নকৰি সঠিক লক্ষ্য নিৰ্দ্ধাৰণেৰে জীৱন আগুৱাই যোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

আজিৰ এই মত-বিনিময় অনুষ্ঠানত সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী নব কুমাৰ দলে, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী যোগেন মহন, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, ৰমেন্দ্ৰ নাৰায়ন কলিতা, নোমল মমিন, তেৰছ গোৱালা, ঋতুপৰ্ণ বৰুৱা আৰু গুৰুজ্যোতি দাস উপস্থিত থাকে।

**বঃভাঃ / পুঃডেঃ**
**৬-০৩-২০২০**


**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in